# অসীম সাহস আৰু প্ৰেৰণাৰ প্ৰতীক বেঞ্জামিন ফ্ৰেংকলিন

- পংখী মহন্ত, স্নাতকোত্তৰ - অসমীয়া বিভাগ, দৰং কলেজ

এজন মহান ব্যক্তিৰ জীৱনী পঢ়ি আমি তেওঁৰ দৰে নহ’ বও পাৰো ।যিদৰে আইনষ্টাইনৰ জীৱনী পঢ়ি আমি আইনষ্টাইন হ’ ব নোৱাৰো ।কিন্তু এটা কথা ঠিক যে এজন মহান মনীষীৰ জীৱনী পঢ়ি আমি প্ৰত্যেকেই একোজন সৎ আৰু সফল ব্যক্তি হৈ উঠিব পাৰো ।

হোমেন বৰগোহাঞিয়ে লিখি উলিওৱা “বেঞ্জামিন ফ্ৰেংকলিন “গ্ৰন্থখনো বেঞ্জামিন ফ্ৰেংকলিনৰ জীৱনৰ আধাৰত ৰচিত এখন মনোৰম জীৱনী গ্ৰন্থ ।ইয়াত তেখেতৰ কৰ্মৰাজি,সংগ্ৰাম,কঠোৰ পৰিশ্ৰম আৰু অধ্যৱসায়েৰে কিদৰে আমেৰিকাৰ লগতে সমগ্ৰ পৃথিৱীৰ এজন আদৰ্শ ব্যক্তি হ’ ব পাৰিছিল তাৰ কাহিনী পঢ়িবলৈ পাব ।অন্তহীন প্ৰেৰণা-উৎসাহৰ লগতে জীৱনত সফল হ’ বলৈ আগবঢ়া প্ৰতিজন নৱপ্ৰজন্মৰে এইখন হাত পুথি হোৱা উচিত ।বেঞ্জামিন ফ্ৰেংকলিনে মানি চলা প্ৰতিটো আদৰ্শ যদি আমি আমাৰ জীৱনটো মানি চলিবলৈ যাওঁ তেন্তে আপুনিও তেওঁৰ দৰে নহ’ লেও এজন সফল ব্যক্তি নিশ্চয় হ’ ব ।তেওঁ মানি চলা প্ৰতিটো আদৰ্শ কিতাপখনত উল্লেখ আছে ।

বেঞ্জামিন ফ্ৰেংকলিনৰ বিষয়ে তলত সংক্ষেপকৈ এটি লেখা আগবঢ়োৱা হ’ ল।আশা থাকিল সকলোৱে কিতাপখন পঢ়িব ।

আমেৰিকাৰ বষ্টন চহৰত জন্ম লাভ কৰা জ্ঞানৰ পিয়াহ বুকুত সাবটি জীৱনৰ এটা এটা মুহূৰ্তৰ সদ্ ব্যৱহাৰ কৰা তেওঁ হয়তো কাহানিও কল্পনা কৰা নাছিল যে ভোকত আধামৰা হৈ হাতত ফুটাকড়ি এটা নোহোৱাকৈয়ে বষ্টন চহৰৰ পৰা আহি ফিলাডেলফিয়া চহৰত প্ৰথম ভৰি দিয়াৰ দিনটোক চিৰ স্মৰণীয় কৰি ৰাখিবলৈয়ে এদিন তেওঁৰ বিশাল মূৰ্তি ফিলাডেলফিয়া বিশ্ববিদ্যালয়ৰ চৌহদত স্থাপন কৰা হ’ ব ।সেই মানুহজন আছিল বেঞ্জামিন ফ্ৰেংকলিন ।যি আছিল একেধাৰে এজন সাংবাদিক, বৈজ্ঞানিক, কুটনীতিবিদ,সমাজ সংস্কাৰক, লেখক আৰু সেই সময়ৰ এজন শীৰ্ষস্থানীয় ৰাষ্ট্ৰনেতা ।

এইজনা মহান ব্যক্তিৰ জন্ম হৈছিল 1706 চনৰ 17 জানুৱাৰীত ।তেখেতৰ পিতৃ জোছিয়া ফ্ৰেংকলিনে বেঞ্জামিনক গীৰ্জাৰ যাজক কৰাৰ উদ্দেশ্যৰে আঠ বছৰ বয়সত এখন গ্ৰামাৰ স্কুলত নাম লগাই দিছিল ।সেই নাম লগোৱা দিন ধৰি তেওঁ দোপতদোপে উন্নতি কৰি এটা বছৰতে তিনিটা শ্ৰেণী বগাবলৈ সক্ষম হৈছিল ।কিন্তু ঘৰুৱা আৰ্থিক দুৰৱস্থাৰ বাবেই দেউতাকে তেওঁক গ্ৰামাৰ স্কুলৰ পৰা আনি আখৰ লেখা আৰু পাটীগণিতৰ শিক্ষা দিয়া এখন স্কুলত নাম লগাই দিছিল ।কিন্তু ইয়াত আখৰ লিখাত পাৰদৰ্শিতা দেখুৱাব পাৰিলেও পাটীগণিতত উত্তীৰ্ণ হ’ ব নোৱাৰাৰ বাবে তাৰ পৰাও দেউতাকে

এৰুৱাই আনি বেঞ্জামিনক নিজৰ ব্যৱসায়ত লগাইছিল।তেওঁৰ আনুষ্ঠানিক শিক্ষাৰো ইয়াতেই সমাপ্তি ঘটিছিল ।তেতিয়া তেওঁৰ বয়স আছিল মাত্ৰ দহ বছৰ ।

বেঞ্জামিন ফ্ৰেংকলিনৰ জ্ঞানৰ তৃষ্ণা আছিল প্ৰবল।তেওঁৰ জীৱনৰ এক মুহূৰ্তও অথলে যাবলৈ দিয়া নাছিল ।কামৰ সময়খিনিৰ বাদে বাকী সময়খিনি তেওঁ কিতাপ পঢ়িয়েই কটাইছিল ।ককায়েকৰ ছপাশালত শিক্ষা নবিচ হিচাপে নিযুক্ত হৈ থকাৰ সময়ছোৱাত তেওঁ অনেক কিতাপৰ ব্যৱসায়ীৰ সৈতে চিনাকি হোৱাৰ সুযোগ পাইছিল ।ফলত তেওঁ কিতাপ ধাৰলৈ আনি ৰাতিটো টোপনি ক্ষতি কৰি পঢ়ি পুৰাঁ ঘূৰাই দিছিল ।

মুদ্ৰক আৰু সাংবাদিক হিচাপে কৰ্ম জীৱনৰ পাতনি মেলা বেঞ্জামিন ফ্ৰেংকলিনে বিশ্বাস কৰিছিল যে মানুহৰ পাৰস্পৰিক সম্পৰ্কৰ ভেটি হ'ব লাগিব সত্য, আন্তৰিকতা আৰু ন্যায় পৰায়ণতা।তদুপৰি তেওঁ সকলো সময়তে নিজৰ স্বাস্থ্য, স্বভাৱ, চৰিত্ৰ আৰু বৃত্তিগত দক্ষতা উন্নত কৰিবলৈ চেষ্টা কৰিছিল।জন আদমছে তেওঁৰ বিষয়ে লিখিছিল যে-''আজিৰ দিনত ফ্ৰান্সত এনে কোনো এজন নাগৰিক ,খেতিয়ক, গৃহসভ্য, কচোৱান বা চাপৰাচী নাই-যিজন মানুহে বেঞ্জামিন ফ্ৰেংকলিনক মানৱ জাতিৰ বন্ধু বুলি স্বীকাৰ নকৰে।" এজন মানুহে পাব পৰা ইয়াতকৈ ডাঙৰ শ্ৰদ্ধা হয়তো আন একো হ'ব নোৱাৰে ।

এইজনা ব্যক্তিয়ে যিদৰে উপাৰ্জন কৰিছিল সেইদৰে তেওঁ সমাজৰ সেৱাতো নিজক উচৰ্গা কৰিছিল ।তেওঁ ফিলাডেলফিয়াত স্থাপন কৰা পুথিভঁৰালৰ আৰ্হিতে পিছলৈ সমগ্ৰ আমেৰিকাতে পুথিভঁৰাল স্থাপন হৈছিল ।তেওঁ প্ৰায়েই লক্ষ্য কৰিছিল ফিলাডেলফিয়াত অগ্নিকাণ্ডৰ ফলত বহুতো মানুহ ক্ষতিগ্ৰস্থ হয় ।সেয়েহে তেখেতেই আমেৰিকাত সৰ্বপ্ৰথম অগ্নি নিৰ্বাপক বাহিনী গঠন কৰিছিল আৰু তেওঁলোকৰ ক্ষতি পূৰণৰ বাবে অৰ্থাৎ আৰ্থিক সাহায্য পাবৰ বাবেই তেওঁ আমেৰিকাৰ সৰ্বপ্ৰথম অগ্নি নিৰ্বাপক কোম্পানী স্থাপন কৰিছিল ।ইয়াৰ উপৰিও তেওঁ মানৱ জাতিৰ উন্নতিৰ বাবে আৱিষ্কাৰ কৰি উলিয়াইছিল এবিধ যান্ত্ৰিক চৌকা,বিদ্যুত সংবেদক,বাইফ'কেল চছমা।

এই বেঞ্জামিন ফ্ৰেংকলিনেই আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰথমজন ৰাষ্ট্ৰদূত হিচাপে 1776 খ্ৰীষ্টাব্দৰ 21 ডিচেম্বৰ দিনা ফ্ৰান্সৰ ৰাজধানী পেৰিছত ভৰি থৈছিল ।আমেৰিকাই স্বাধীনতা লাভ কৰাৰ পিছতেই এখন সংবিধান ৰচনাৰ কামত তেওঁ আগভাগ লৈছিল ।পৃথিৱীৰ বুৰঞ্জীত সেইখনেই আছিল প্ৰথমখন লিখিত সংবিধান ।আমেৰিকা যুক্তৰাষ্ট্ৰক এখন স্বাধীন আৰু মহান ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাত যি সকল লোকে আগভাগ লৈছিল তেওঁলোকৰ ভিতৰত বেঞ্জামিন ফ্ৰেংকলিনো আছিল অন্যতম ।

হোমেন বৰগোহাঞিঃ দেৱে তেখেতৰ “বেঞ্জামিন ফ্ৰেংকলিন” গ্ৰন্থখনত উল্লেখ কৰিছে যে-“এজন বিখ্যাত আমেৰিকান পণ্ডিতে লিখিছে -‘আমেৰিকানসকলে বীৰ পূজা কৰি ভাল পায় ।তেওঁলোকে জৰ্জ ৱাশ্বিংটনক ভক্তি কৰে, টমাছ জেফাৰছনক শ্ৰদ্ধা কৰে, আব্ৰাহাম লিংকনৰ জীৱনটোক কিম্বদন্তীত পৰিণত কৰে ।কিন্তু তেওঁলোকে নিজৰ আপোন বুলি ভাবে একমাত্ৰ বেঞ্জামিন ফ্ৰেংকলিনক ।এজন আমেৰিকান বুলিলে যিজন মানুহৰ কথা আৰু তেওঁৰ বিশেষ গুণাৱলীৰ কথা আমাৰ মনলৈ আহে-ঠিক তেনে এজন মানুহ আছিল বেঞ্জামিন ফ্ৰেংকলিন ।’ যিবোৰ গুণৰ অনুশীলন কৰি আমেৰিকান সকলে মাত্ৰ দুশ বছৰৰ ভিতৰতে এখন নতুনকৈ আৱিষ্কৃত দেশক পৃথিৱীৰ ভিতৰতে আটাইটকৈ ধনী আৰু শক্তিশালী ৰাষ্ট্ৰত পৰিণত কৰিব পাৰিলে, সেই গুণবোৰ আয়ত্ত কৰিবলৈ বেঞ্জামিন ফ্ৰেংকলিনেই আমেৰিকানসকলক প্ৰথমে বাট দেখুৱাইছিল ।সেইকাৰণে বেঞ্জামিন ফ্ৰেংকলিনৰ মৃত্যুৰ দুশ বছৰ পিছতো তেওঁৰ স্মৃতি আমেৰিকানসকলৰ মনত সেউজীয়া হৈ আছে আৰু তেওঁৰ প্ৰভাৱ হৈ আছে জীৱন্ত ।”

গ্ৰন্থ সবিশেষ:

গ্ৰন্থ- “বেঞ্জামিন ফ্ৰেংকলিন “

লেখক-হোমেন বৰগোহাঞিঃ

মূল্য-50 টকা।